# ভাৰতীয় ৰিজাৰ্ভ বেংক
# প্ৰেছ বিজ্ঞপ্তি

প্ৰেচ বিজ্ঞপ্তি, কেন্দ্ৰীয় কাৰ্য্যালয়, পোষ্ট বক্স ৪০৬, মুম্বাই - ৪০০০০১
ফোন: ২২৬৬ ০৫০২, ফেক্স: ২২৬৬ ০৩৫৮, ২২৭০ ৩২৭৯

এপ্ৰিল ১৮, ২০০৭

## ভাৰতত কাৰ্য্যৰত বেচৰকাৰী আৰু বিদেশী বেংকৰ বাবে সুৰক্ষিত ঘোষণা আঁচনি শুভাৰম্ভ কৰিলে আৰ বি আইয়ে

ভাৰতত কৰ্মৰত বেচৰকাৰী আৰু বিদেশী বেংকৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকে আজি সুৰক্ষিত ঘোষণা আঁচনি ঘোষণা কৰিছে। এইক্ষেত্ৰত ভাৰতত কৰ্মৰত বেচৰকাৰী আৰু বিদেশী বেংকসমূহলৈ জাৰী কৰা নিৰ্দেশনা সৰ্বসাধাৰণৰ জ্ঞাতাৰ্থে আৰ বি আইৰ ৱেবচাইটে www.rbi.org.in অত এৰি দিয়া হৈছে। ৰাজহুৱা খণ্ডৰ বেংক আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকক (যিহেতু কেন্দ্ৰীয় আইনৰ মাধ্যমেদি স্থাপিত অনুষ্ঠান) ইতিমধ্যে ভাৰত চৰকাৰৰ আঁচনিৰ অধীনলৈ ইতিমধ্যে অনা হৈছে।

ভাৰতত কৰ্মৰত ব্যক্তিগত খণ্ডৰ বেংক আৰু বিদেশী বেংকৰ ক্ষেত্ৰত প্ৰযোজ্য এই আঁচনিখন প্ৰস্তুত কৰা হৈছে ২১ এপ্ৰিল, ২০০৪ তাৰিখে ভাৰত চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি। উল্লেখ্য যে এই সিদ্ধান্ত অনুসৰি কেন্দ্ৰীয় চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা কৰা যিকোনো নিগম বা কেন্দ্ৰীয় আইনৰ অধীনত স্থাপিত চৰকাৰী কোম্পানী, চোচাইটী বা কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বা নিয়ন্ত্ৰিত স্থানীয় প্ৰশাসনৰ যিকোনো কৰ্মচাৰীৰ বিৰুদ্ধে লিখিত অভিযোগ, দুৰ্নীতিৰ সম্পৰ্কত উঠা অভিযোগ বা ক্ষমতাৰ অপব্যৱহাৰ সন্দৰ্ভত লিখিত অভিযোগ গ্ৰহণ আৰু উপযুক্ত কাৰ্যব্যৱস্থা অনুমোদন কৰিবলৈ কেন্দ্ৰীয় তদাৰকী আয়োগক (চিভিচি) কতৃত্বপ্ৰাপ্ত কতৃপক্ষ হিচাপে কতৃত্ব প্ৰদান কৰা হৈছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে বিত্তীয় সুস্থিৰতাৰ বাবে তৎপৰ কাৰ্য্যব্যৱস্থা হিচাপে আৰু বিত্তীয় খণ্ডত জনসাধাৰণৰ আস্থা বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে ভাৰত চৰকাৰে “ব্যক্তিগত খণ্ডৰ বেংক আৰু বিদেশী বেংকৰ কাৰণে সুৰক্ষিত ঘোষণা

আঁচনি” শুভাৰম্ভনি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। প্ৰস্তাৱিত আঁচনিখনৰ খচৰা ২০০৬ চনৰ ২৫ জানুৱাৰীত আৰ বি আই ৱেবচাইটত মুকলি কৰি দিয়া হৈছিল আৰু জনসাধাৰণৰ লগতে সংশ্লিষ্ট সকলো পক্ষৰ পৰা পৰামৰ্শ আহ্বান কৰা হৈছিল। সকলো পৰামৰ্শ গ্ৰহণ কৰি এই আঁচনি চূড়ান্ত কৰা হৈছে আৰু তৎকালে কাৰ্য্যকৰী কৰা হৈছে।

আল্পনা কিলাৱালা
মুখ্য মহাপ্ৰবন্ধক

**প্ৰেচ বিজ্ঞপ্তি: ২০০৬-২০০৭/১৪২৩**